# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। বিকশিত ভাৰত যুৱ নেতা আলোচনা, ২০২৬ আজিৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হ'ব।

২। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত ৰে'লৱেৰ ১০০ গৰাকী বিষয়াক ৭০ সংখ্যক অতি বিশিষ্ট ৰে'ল সেৱা পুৰস্কাৰ প্ৰদান কৰিব।

৩। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰ্যালয়ে কালি গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় বস্ত্ৰ মন্ত্ৰী সন্মিলনত জিলা আধাৰিত বস্ত্ৰ ৰূপান্তৰ উদ্যম মুকলি কৰে।

৪। চৰকাৰে স্বামী বিনিয়োগ পুঁজিৰ মাধ্যমেৰে ৩৬ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি হোৱা বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। পি ভি সিন্ধু আজি মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

বিকশিত ভাৰত যুৱ নেতা আলোচনা, ২০২৬ আজিৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই আলোচনা মুকলি কৰা হ'ব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১২ জানুৱাৰীত সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰীমন্দাভিয়াই কয়, যে এই চাৰিদিনীয়া অনুষ্ঠানত সমগ্ৰ দেশৰ আঢ়ৈ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে ভাগ ল'ব। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ'ৰোৰ মহাকাশচাৰী গ্ৰুপ কেপ্তেইন সুভাংশু শুক্লা আৰু গ্ৰুপ কেপ্তেইন প্ৰশান্ত নায়ৰে অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময়ত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰেও আলোচনাত ভাগ ল'ব। তেওঁ লগতে কয়, যে এই আলোচনাত পদ্ম সন্মানেৰে বিভূষিত কেইবাগৰাকী ব্যক্তি, যুৱ সাংসদ আৰু বিধায়কৰ লগতে পুলেলা গোপীচান্দ, লিয়েণ্ডৰ পেজ, পালকী শৰ্মা, কৈৰাল্য ভোহৰা, শিৱব্ৰত দাস, আনন্দ কুমাৰকে ধৰি কেইবাগৰাকীও ক্ষেত্ৰ বিশেষজ্ঞই আৰু অংশগ্ৰহণ কৰিব।

ooooo

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত ৰে'লৱেৰ ১০০ গৰাকী বিষয়াক ৭০ সংখ্যক অতি বিশিষ্ট ৰে'ল সেৱা পুৰস্কাৰ প্ৰদান কৰিব। শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা ৰে'লৱে সংমণ্ডলক পুৰস্কাৰ স্বৰূপে ২৬ খন শ্বিল্ড প্ৰদান কৰা হ'ব। ভাৰতীয় ৰে'লৱেলৈ আগবঢ়োৱা অসাধাৰণ আৰু নিদৰ্শনমূলক সেৱাৰ স্বীকৃতি স্বৰূপে এই পুৰস্কাৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত ৰে'ল ৰাজ্যমন্ত্ৰী বি. সোমন্না, ৰবনীত সিং, ৰে'ল পৰিষদৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া সতীশ কুমাৰ, পৰিষদৰ সদস্য আৰু ৰে'লৰ বিভিন্ন সংমণ্ডল তথা উৎপাদন গোটৰ মহাপ্ৰবন্ধকসকলক উপস্থিত থাকিব। ৰে'ল মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, মহাকুম্ভৰ দৰে বৃহৎ অনুষ্ঠানৰ সময়ত নিৰাপদ আৰু সুগম যাত্ৰা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা কৰ্মীসকলক শ্বিল্ড প্ৰদান কৰা হ'ব। অনুষ্ঠানত অপাৰেচন সিন্দূৰৰ সময়ত প্ৰত্যাহানমূলক পৰিস্থিতিত ৰে'লসেৱা সুনিশ্চিত কৰা আৰু উদ্ধাৰ অভিযান সহযোগ কৰা বিষয়াসকলকো সন্মানিত কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰ্যালয়ে কালি গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় বস্ত্ৰ মন্ত্ৰী সন্মিলনত জিলা আধাৰিত বস্ত্ৰ ৰূপান্তৰ উদ্যম মুকলি কৰে। বস্ত্ৰা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, এই উদ্যম হৈছে দেশৰ বস্ত্ৰ খণ্ডৰ সৰ্বাত্মক আৰু নিৰন্তৰ বিকাশ সুনিশ্চিত কৰাৰ বাবে বিকশাই তোলা এক প্ৰকাৰৰ কৌশলগত উদ্যম। এই উদ্যমৰ অধীনত জিলাসমূহক চেম্পিয়ন আৰু অভিলাষী জিলা হিচাপে ভাগ কৰা হৈছে। চেম্পিয়ন জিলাসমূহে ঘাই ঘাই বাধাসমূহ দূৰ কৰাত গুৰুত্ব আৰোপ কৰিব। এই উদ্যমৰ জৰিয়তে বৃহৎ উমৈহতীয়া সুবিধা কেন্দ্ৰৰ বিকাশ সাধন, কৃত্ৰিম বুদ্ধিমত্তা, বিগ ডাটা আৰু ক্লাউড কম্পিউটিঙৰ দৰে অত্যাধুনিক ডিজিটেল প্ৰযুক্তি ব্যৱহাৰ কৰি স্মাৰ্ট কাৰখানা স্থাপন আৰু ৰপ্তানী বজাৰৰ সৈতে পোনপটীয়া সম্পৰ্ক স্থাপন কৰা হ'ব। অভিলাষী জিলাসমূহে আন্তঃগাঁথনি নিৰ্মাণ কৰাত আৰু কৰ্মবাহিনীক আনুষ্ঠানিক ৰূপ দিয়াৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা অনুকূল তন্ত্ৰ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিব। মন্ত্ৰ্যালয়ে ১০০ খন উচ্চ সম্ভাৱনাময় জিলাক গোলকীয় ৰপ্তানি চেম্পিয়নলৈ আৰু ১০০ খন অভিলাষী জিলাক আত্মনিৰ্ভৰ কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। এই অঞ্চলসমূহৰ জনজাতীয় বসতিপ্ৰধান এলেকাসমূহৰ উন্নয়ন, যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগিঙৰ বাবে অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে যাতে ইয়াৰ অনন্য সাংস্কৃতিক হস্তশিল্পক আগশাৰীৰ গোলকীয় বজাৰলৈ সৈতে পৰিচয় কৰি দিব পৰা যায়।

০০০০০

জম্মু-কাশ্মীৰত স্থায়ী শান্তি স্থাপন কৰাৰ লগতে সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত গৃহমন্ত্ৰীগৰাকীয়ে কালি জম্মু-কাশ্মীৰৰ শীৰ্ষক প্ৰতিৰক্ষা পৰ্যালোচনা এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি এইদৰে কয়। সন্ত্ৰাসবাদীৰ ঘাটি আৰু সন্ত্ৰাসবাদক বিভিন্ন প্ৰকাৰে সাহায্য আগবঢ়োৱাসকলক লক্ষ্য কৰি চলোৱা সন্ত্ৰাসবাদ প্ৰতিৰোধী অভিযানসমূহ তীব্ৰগতিত অব্যাহত ৰাখিব লাগে বুলিও শ্ৰীশ্বাহে উল্লেখ কৰে। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ সহযোগিতামূলক প্ৰচেষ্টাৰ বাবে জম্মু-কাশ্মীৰৰ সন্ত্ৰাসজৰ্জৰ পৰিৱেশ নাইকীয়া হোৱাৰ বিষয়েও তেওঁ আলোকপাত কৰে। জম্মু-কাশ্মীৰৰ প্ৰতিৰক্ষাজনিত পৰিস্থিতি শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত প্ৰতিৰক্ষা সংস্থাসমূহে গ্ৰহণ কৰা প্ৰচেষ্টাৰো শ্ৰীশ্বাহে শলাগ লয়। তেওঁ জম্মু-কাশ্মীৰক সন্ত্ৰাসমুক্ত কৰাৰ লক্ষ্যত অতি সোনকালে উপনীত কৰোৱাটো নিশ্চিত কৰাৰ বাবে সহযোগিতাৰে আৰু সতৰ্কতাৰে কাম কৰি যাবলৈ প্ৰতিৰক্ষা সংস্থাসমূহক নিৰ্দেশ দিয়ে।

০০০০০

চৰকাৰে বহনসাধ্য আৰু মধ্যম আয় শ্ৰেণীৰ বাসগৃহ নিৰ্মাণৰ বাবে ৰূপায়িত বিশেষ যোজনাৰ স্বামী বিনিয়োগ পুঁজিৰ মাধ্যমেৰে অধিক দক্ষ আৰু অদক্ষ লোকৰ বাবে ৩৬ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি হোৱা বুলি প্ৰকাশ কৰিছে। স্বামী বিনিয়োগ পুঁজি, বিত্ত মন্ত্ৰালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ বিত্তীয় সহযোগিতাৰে বন্ধ হৈ থকা গৃহ নিৰ্মাণ প্ৰকল্পসমূহৰ বাবে বিত্ত যোগান ধৰাৰ বাবে ৰূপায়ণ কৰা চৰকাৰী উদ্যম।

বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই পুঁজিৰ জৰিয়তে সমগ্ৰ দেশৰ ১২৭টা প্ৰকল্পত ৩৭ হাজাৰ ৪০০ কোটিৰো অধিক টকা বিনিয়োগ হৈছে আৰু এই ধনেৰে ৯ কোটি বৰ্গ ফুটৰো অধিক এলেকা বিকশাই তোলাৰ কাম চলি আছে। এই প্ৰকল্পই বাসগৃহ ক্ৰেতাসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাই নহয় বৰং খণ্ডটোক পুনৰ উজ্জীৱিত কৰাৰ লগতে কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে আৰু সামগ্ৰীক অৰ্থ ব্যৱস্থা সুদৃঢ় কৰি তুলিছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। এই পুঁজিত কেন্দ্ৰ আৰু ৰাজ্যসমূহে জি এছ টি, চৰকাৰী বকেয়া আৰু ষ্টাম শুল্কৰ মাধ্যমেৰে আনুমানিক ছহেজাৰ ৯০০ কোটিৰো অধিক ৰাজহ লাভ কৰিছে। বন্ধ হৈ থকা প্ৰকল্পসমূহ আৰম্ভ হোৱাৰ ফলত ২০ লাখ টনৰো অধিক চিমেণ্ট আৰু চাৰে ৫ লাখ টন তীখাৰ চাহিদা সৃষ্টি হৈছে। এই প্ৰকল্পসমূহৰ অধীনত ভূমি বিকশাই তোলাৰ বাবে ১ লাখ ছহেজাৰৰো অধিক গছপুলি ৰোপন কৰা হৈছে। স্বামী উদ্যম ২০১৯ চনৰ নৱেম্বৰত আৰম্ভ কৰা হৈছে।

ooooo

বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত আমেৰিকাৰ প্ৰযুক্তি কোম্পানী এনভিডিয়াৰ এটা দলক সাক্ষাৎ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে এই বৈঠকত ভাৰতত স্বতন্ত্ৰ জি. পি. ইউৰ বিকাশ আৰু ডি. জি. এক্স. স্পাৰ্কৰ দৰে এড্‌জ উপকৰণৰ নিৰ্মাণ সন্দৰ্ভত আলোচনা কৰা হয়। তেওঁ লগতে কয়, যে এই ব্যৱস্থাই ২০০ বিলিয়ন পেৰামিটাৰ পৰ্যন্ত আৰ্হিৰ বাবে সুৰক্ষিত ফলাফলৰ লগতে এক পেটাফ্লপ লৈকে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে। এই কমপেক্ট জি. পি. ইউক ইণ্টাৰনেটৰ প্ৰয়োজন নহয় বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয়, যে ৰে'লৱে, জাহাজ চলাচল, স্বাস্থ্য সেৱা, শিক্ষা আৰু দুৰ্গম এলেকাত ব্যৱহাৰৰ বাবে উপযুক্ত হ'ব।

ooooo

ভেনিজুৱেলাত বন্দী হৈ থকা দেশখনৰ বৃহৎ সংখ্যক নাগৰিক আৰু বিদেশী লোকক মুকলি কৰি দিয়া হ'ব। ভেনিজুৱেলাৰ নেচনেল এচেম্বলীৰ মুৰব্বী জৰ্জ ৰ'ড্ৰিগজে কালি এই বিষয়ে প্ৰকাশ কৰে। অৱশ্যে কিমান জন লোকক আৰু কাক কাক মুকলি কৰি দিয়া হ'ব এই বিষয়ে তেওঁ একো উল্লেখ কৰা নাই। এই কাৰ্যক তেওঁ বলিভেৰিয়ান চৰকাৰৰ ব্যাপকভাৱে শান্তি স্থাপনৰ উদ্দেশ্য গ্ৰহণ কৰা এটা প্ৰচেষ্টা বুলি প্ৰকাশ কৰে। বিৰোধী নেতা আৰু সমালোচকসকলক মুকলি কৰি দিয়াটো ভেনিজুৱেলাৰ বিৰোধী দল আৰু আমেৰিকাৰ চৰকাৰৰ দীৰ্ঘদিনীয়া দাবী আছিল। আমেৰিকাৰ সেনাই প্ৰাক্তন ৰাষ্ট্ৰপতি নিক'লাছ মাডুৰ'ক মাদক দ্ৰব্য সৰবৰাহৰ গোচৰত নিউয়ৰ্কৰ আদালতত হাজিৰ কৰোৱাৰ বাবে গ্ৰেপ্তাৰ কৰাৰ এসপ্তাহতকৈও কম সময়ৰ ভিতৰত এই ঘোষণা কৰা হৈছে।

ooooo

অলিম্পিকত দুবাৰৰ পদক বিজয়ী পি ভি সিন্ধু আজি কুৱালালাপুৰত অনুষ্ঠিত মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত তৃতীয় বাছনিপ্ৰাপ্ত জাপানৰ আকানে য়ামাগুছিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলুৱৈগৰাকীয়ে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত জাপানৰ টমোকো মিয়াজাকিক ২১-৮, ২১-১৩ গেমত পৰাস্ত কৰে।

ইপিনে, পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটো আজি ইণ্ডোনেছিয়াৰ এম এছ্ ফিক্ৰী আৰু এফ অল্‌ফিয়ানৰ সন্মুখীন হ'ব। ভাৰতৰ শীৰ্ষ যুটীটোৱে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জুনেইডি আৰিফ আৰু ৰয় কিং য়াপৰ যুটীটোক ২১-১৮, ২১-১১ গেমত পৰাভূত কৰে। লক্ষ্য সেন আৰু আয়ুস ছেট্টী পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ নিজ নিজ খেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

**সমাপ্ত**